# 21st India–Russia Annual Summit

November 26, 2021

---

# 21তম ভাৰত-ৰুছ বাৰ্ষিক সন্মিলন

নৱেম্বৰ 26, 2021

ৰুছ ফেডাৰেচনৰ ৰাষ্ট্ৰপতি, মাননীয় মিঃ ভ্লাডিমিৰ পুটিনে 6 ডিচেম্বৰ 2021 তাৰিখে নতুন দিল্লীলৈ এক আনুষ্ঠানিক ভ্ৰমণত আহিব প্ৰধান মন্ত্ৰী শ্ৰী নৰেদ্ৰ মোদীৰ সৈতে 21তম ভাৰত-ৰুছ বাৰ্ষিক সন্মিলনৰ বাবে।

শেষ ভাৰত-ৰুছ বাৰ্ষিক সন্মিলন চেপ্তেম্বৰ 2019 চনত অনুষ্ঠিত কৰা হৈছিল ভ্লাডিভষ্টকলৈ (ৰুছ) প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণকালত। 2020 চনৰ বাৰ্ষিক সন্মিলন অনুষ্ঠিত কৰিব পৰা নগ'ল কোভিড-19 মহামাৰী পৰিস্থিতিৰ বাবে।

নৱেম্বৰ, 2019 চনত ব্ৰাচিলিয়াৰ ব্ৰিক্স সন্মিলনৰ প্ৰেক্ষাপটত দুয়ো নেতাৰ মাজৰ বৈঠকৰ পিছৰ এয়া প্ৰথম মুখা-মুখি বৈঠক। দুয়োজন নেতাৰ মাজত নৱেম্বৰ, 2019 চনৰ পৰা আজিলৈকে ভাৰচ্যুৱেল বৈঠক আৰু বহুপক্ষীয় সন্মিলনৰ বাহিৰে 6টা ফোন বাৰ্তালাপ অনুষ্ঠিত হৈছিল।

নেতাকেইজনে দ্বিপক্ষীয় সম্পৰ্কৰ অৱস্থা আৰু সম্ভাৱনা নিৰীক্ষণ কৰিব আৰু দুয়োখন দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ উপায় আলোচনা কৰিব। সন্মিলনখনে লগতে এক সুযোগ প্ৰদান কৰিব পাৰস্পৰিক ৰুচীৰ আঞ্চলিক, বহুপক্ষীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ ওপৰত ভাব বিনিময় কৰাৰ।

এই ভ্ৰমণ হৈছে ভাৰত আৰু ৰুছৰ মাজৰ বৈকল্পিকভাৱে অনুষ্ঠত হোৱা বাৰ্ষিক সন্মিলনৰ ধাৰাবাহিকতা। এই ভ্ৰমণে ভাৰত-ৰুছ বিশেষ আৰু বিশেষাধিকাৰপ্ৰাপ্ত কৌশলগত অংশীদাৰিত্বক অধিক গতি প্ৰদান কৰিব।

**নতুন দিল্লী**
**নৱেম্বৰ 26, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.